হেমচন্দ্ৰ বৰুৱা (১৮৩৬-১৮৯৭)

# স্বৰ্গৰ দুৱৰী গোবৰ্দ্ধন-দেউ-আতাৰ চৰিত্ৰ

কোৰখনীয়া সত্ৰৰ গোবৰ্দ্ধন দেউ-আতা পৰম বৈষ্ণৱ, কংশ-ৰজাৰ চন্দন-যোগাঁতী কুঁজী-বাইৰ বংশত জাত, সাক্ষাত গুৰু-জনৰ পৰা পৰমাৰ্থৰ ভাগ-পোৱা গোপীনাথ দেউ-আতাৰ পৰিণাতি; ঘোষা, কীৰ্ত্তন, ৰত্নাৱলী, এই তিনিখানি শাস্ত্ৰ প্ৰভুৰ ওষ্ঠাগ্ৰ; ইয়াত বাজে গুণমালা, ভটিমা, চপয়, তোটয়, এইবিলাক মুখে আখে ফুটাৰ দৰে ফুটে। বৰগীতত গোঁসাই দেউ এনে হে পাৰ্গত যে, তেওঁ পুৰতীয়া নিশা গীত ধৰিলে ওচৰৰ গছবিলাকেও পাত-লৰোৱাৰ ছলেৰে তাল ধৰে, আৰু কুকুৰ-শিয়ালেও প্ৰেমত বাউল হৈ ৰাগ দিয়ে। গোসাই-ঈশ্বৰৰ উপৰি-পুৰুষসকল তিৰী-লগীয়া আছিল; কিন্তু গোসাঁই-দেউৱে মধুপুৰ থানৰ ধুলা-মালা লৈ নিৰ্ম্মল উদাসীন-ধৰ্ম্মত আশ্ৰয় কৰিছে, তিৰী-জাতিৰ মুখকে নে চায়; আন কি? তিৰী-লগীয়া ভকতে অনা জলকো গ্ৰহণ ন কৰে। প্ৰভুৰ উপৰিপুৰুষসকলৰ বৰ মহিমা আছিল; তেওঁবিলাকৰ এজনৰ মহিমা দেখি কালশিলানৈয়ে মানুহৰ ৰূপ ধৰি শৰণ-ভজন লৈ কৰৰ বাবে বছৰি পাঁচ বুৰি কালঢাপৰ কণী যোগাই আছিল। আমাৰ গোসাঁই-দেউৰো মহিমা কম ন হয়, এতিয়া কলিৰ কাল বুলিও কিষ্কিন্ধ্যাৰ বান্দৰৰ ৰজাৰ কোঁৱৰ এজনাই গোসাঁই-দেউৰ ঠাইত মালা-মন্ত্ৰ লৈ বছেৰেকত তিনটা লঙ্কাৰ কণ্মৌ-কৰ দিলে। গোসাঁই দেউ "মহাপুৰুষ গুৰুৰ শুধ সত পথৰ" পৰা একাঙ্গুলো লৰ-চৰ ন হয়, "অন্য দেৱী দেউৰ" নাম মুখেৰে লোৱা থাকোক, কাণেৰে শুনিলেও কাণত সোপা দিয়ে, "অইন দেৱী-দেউৰ' নামেৰে মানুহৰ নাম থাকিলে তাক সলাই "কালীৰামক" "মহীৰাম", "দুৰ্গাৰামক" "দহ-হতীয়াৰাম", "শিৱনাথক", "জঁটীয়ানাথ" বুলিহে মাতে। প্ৰভুৱে তিনিটি প্ৰসঙ্গ নকৰাকৈ পানী এটোপাকো ভোজন ন কৰে, আৰু আঁউহী-একাদশী হলে দুকঠা আৰৈচাউলৰ কেঁচাপিঠাগুড়ি, আৰু তাৰে জোখাই গুড়-গাখীৰ আৰু কলাত বাজে আন একো ন লয়। গোসাঁই-দেউ "বাক্-সিধ", যি বোলে সেয়ে হয়। এবেলি এজন ভকতো কিবা দাই কৰাত, "হতশ্ৰী হো" বুলি তাক শাও দিছিল, গোসাঁই-দেউৰ সেই বৰ্জ বাইক" পৰিবৰপৰা ভকত জনে ডেৰকুৰি বছৰ মাথোন টানিলে। গোসাঁই-দেউ ধৰ্ম্ম-শাস্ত্ৰত বৃহস্পতি, ঘোষা-ৰত্নাৱলীত যিবিলাক টান কথা আছে, মুহূৰ্ততে সেইবিলাকৰ সংশয় ছেদ কৰি দিয়ে। এবেলি এজন পৰমাৰ্থবস্তুলৈ আশা কৰা ভকতে কুৱাল-গুৰি-সত্ৰৰ নাম-ঘৰত ভাগতীবাপুৱে কৃষ্ণৰ লীলা কথন কৰোঁতে ভকতসকলক প্ৰেমত বাউল হৈ বাগৰি ফুৰা দেখি তেৱোঁ দুবাৰমান মাটিত লেটি ললে; পাচে নাম-ঘৰলৈ পিঠি দিলতে কৃষ্ণৰ চৰিত্ৰ সকলো-খিনি গাৰ ঘামে সৈতে মনৰ পৰা মাৰ গল, কেৱল "বৃন্দা বিপিনে" এই দুটি কথা মাথোন কথমপি মনৰ এচুকত লাগি ৰল। কিন্তু সেই বাক্য ফেৰিৰ ভাৱাৰ্থত অলপ সংশয় হোৱাত তেওঁ গোসাঁই-ঈশ্বৰৰ গুৰিলৈ গৈ সেৱা কৰি মাত লগালে "পৰ্ভু ঈস্পৰ" বিৰিন্দা বুলিলে, জানিবা বিৰিণা বনকে বুজায়, তাক সদায় দেখিয়েই আছোঁহঁক, এতিয়া বিপিনা বুলি নো কি?" তাতে গোসাঁই-দেউৱে গম্ভীৰভাৱেৰে উত্তৰ দি বুলিলে, "আতৈ ৰাম সজ সোধা গৈছে, "বিপিনা" বুলি বিৰিণাৰ কোমল কেওঁখিনি, ই বৰ গূঢ়াৰ্থ, সকলোৱে তাৰ সম্ভেদ নে পায়।" আমাৰ "পৰ্ভু ঈস্পৰে" বিদ্যাৰ কিমানলৈ ভেদিছে, এয়ে তাৰ চিন।

Scanned with CamScanner

ভকতসকলে আগৰেপৰা চলি অহা সদাচাৰত প্ৰবৰ্ত্তে নে, তাৰপৰা ইফাল সিফাল হয়, নাম প্ৰসঙ্গতকৈও আমাৰ গোসাঁই-দেউৱে তালৈ অধিক চকু দিয়ে; কিয়নো তাৰপৰা অকল ভকতসকলৰ তৰিবৰ উপায় হয়, এনে ন হয়; তেওঁবিলাকক সত্ৰৰ নীতি-নিৰ্ব্বন্ধৰপৰা লৰ-চৰ হোৱা ধৰিব পাৰিলে ঁথানৰ এফেৰি লাভ আছে। আন ন হলে তেও শলা-বস্তিৰ ধন ফেৰি ওলায়। এবেলি এজন ভকতে ফুৰা গাৰে গুৱা ভোজন কৰাৰ কথা আন আন ভকতসকলে কোৱা-কুই কৰাত সেই কথা গোসাঁই-দেউৰ কাণত পৰিল, তাতে ভকত-জনৰ জীৱটিৰ অসদ্গতি হয় বুলি বৰ ভাবিত হৈ কেৱলীয়া ভকতসকল চপাই গোসাঁই-ঈশ্বৰে মহা সোধ পাতিলে; সোধত পদপ্ৰমাণেৰে সেই কথা সঁচা নোহোৱাতো আতৈ-জনৰ জীৱৰ কল্যাণৰ আৰু অপবাদৰপৰা গাটি শুচি কৰিবৰ কাৰণে ঁথানলৈ কুৰি টকি ৰূপৰ বাব দিবৰ আজ্ঞা হল; আৰু তেওঁ তাকে নি দিলে মানে তেওঁক পাচলৈ হাত কৰি বান্ধি বেলি-মুৰাকৈ পেলাই থোৱা হৈছিল। এইৰূপে আমাৰ প্ৰভু-ঈশ্বৰে কত ভকতৰ গা শুচি কৰিছে, তাৰ লেখ নাই। পাপ এটা সোঁচৰা ব্যাধি, নিষ্পাপী মানুহ পাপী মানুহৰ ওচৰ চাপিলেই পাপে জাঁপ মাৰি নিষ্পাপী মানুহৰ গাত উঠে। যি শিষ্যে জানি বা নে জানি প্ৰভু-ঈশ্বৰৰ দাই লগায়, তাতকৈ পাপী কেও নাই। এই কাৰণে সি দাই ন ভঙ্গায় মানে তাৰ পাপ আনৰ গাত সোঁচৰ বুলি প্ৰভু-ঈশ্বৰে তাৰ দুৱাৰ-মুখত টাব্-চিলিঙ্গি মাৰি আন শিষ্যক সেই জগৰীয়া শিষ্যেৰে সৈতে জুই-পানীৰো ব্যৱহাৰ কৰিবলৈ নিষেধ কৰি থয়। শিষ্যৰ জীৱটি কেনেকৈ উদ্ধাৰ হব প্ৰভুৱে সদায় তাকে হে চিন্তে; তাতে শিষ্যৰ ভাল বস্তু এটি দেখিলেই কেতিয়াবা তাৰ প্ৰতি দয়া কৰি সেই বস্তুটি "গ্ৰহণীয় ভাৱ" কৰিবলৈ মহাপ্ৰভুৰ ইচ্ছা জনমে, বস্তুটি দুখানি চৰণত শোধালে ইহ-পৰ-লোকত শিষ্যটিৰ কল্যাণ হয়; তাকে ন কৰিলে নৰকৰ পৰা তাৰ নিস্তাৰ নাই। আমাৰ প্ৰভু জগন্নাথ যি-খনি শিচ-গাঁৱত সোমায় তাৰ কল্মষ গুচাবৰ নিমিত্তে তাক জহনীয়ে চোঁচা পেটতকৈও নীৰস কৰি হে এৰে। দুখানিচৰণে এবাৰ শিষ্যৰ গাঁৱত ধূলা পেলাই সকলোকে পবিত্ৰ কৰিবলৈ গৈছিল; গাওঁ পাই শুনিলে, সেই গাঁৱৰে মেধিৰ এজনী ভাল গাই আছে, তাতে মেধিৰ পৰম ভাগ্যৰ গুণে তেওঁৰ প্ৰতি প্ৰসন্ন হৈ আতা-ঈশ্বৰে গাইটীলৈ এনেহে ইচ্ছা কৰিলে যে, তাকে নে পালে চাউল সিজোৱাই ন হয়। এই কথা আলধৰা-আতৈয়ে গৈ মেধিত কলে; মেধি বিমোৰ! গৰু নিদিলে গোসাঁই-ঈশ্বৰৰ ভোজন ন হয়, গৰুজনীও মৰমৰ, দিবলৈ গাই ন সয়। কিন্তু গোসাঁই-ঈশ্বৰ লঘোনে থাকিলে, গৰু কি বস্তু? দেহ-প্ৰাণৰে সৰ্ব্বনাশ! এইবিলাক কথা ভাবি চাই এফেৰি অৰিহণাৰে সৈতে নামঘৰৰ খুঁটাত গৰুজনী বান্ধি দিলত হে প্ৰভু জগন্নাথে দুপৰীয়া ভোজন কৰিলে।

[বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী]

০০০